# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 07-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::**

জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখা আৰু ভাৰত পাকিস্তান আন্তৰ্ৰাষ্ট্ৰীয় সীমাৰ নিকটৱৰ্তী শতাধিক বাসিন্দাক সুৰক্ষাজনিত কাৰণত নিৰাপদ স্থানলৈ স্থানান্তৰ কৰা হৈছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি আজি দিনটোত জম্মু অঞ্চলৰ পুঞ্চ আৰু ৰাজৌৰীৰ  সীমান্তৱৰ্তী গাওঁসমূহত দিনৰ ভাগত পাকিস্তানৰ সেনা বাহিনীয়ে কৰা গোলাবৰ্ষণত ৪ টি শিশু আৰু দুগৰাকী মহিলাকে ধৰি মুঠ ১২ গৰাকী লোকে প্ৰাণ হেৰুৱায়। এই গোলাবৰ্ষণত ৫০ গৰাকীতকৈও অধিক লোক আহত হোৱাৰ বাতৰি আহিছে।

০০০০

ইয়াৰ পূৰ্বে ভাৰতীয় সেনাবাহিনীয়ে যোৱা মাজনিশা ১ বাজি ৫ মিনিটৰ পৰা ডেৰ বজাৰ ভিতৰত পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটি থকা ৯ খন স্থানত আক্ৰমণ চলাই **অপাৰেচন সিন্দূৰ** আৰম্ভ কৰে। আজি নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত এই অভিযানৰ সবিশেষ তথ্য প্ৰকাশ কৰি সেনাবাহিনীৰ কৰ্ণেল ছ'ফিয়া কুৰেচি আৰু বায়ুসেনাৰ ৱিং কমাণ্ডাৰ ব্যমিকা সিঙে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ভুক্তভোগীসকলক ন্যায় প্ৰদান কৰাৰ বাবে অপাৰেচন সিন্দূৰ আৰম্ভ কৰা হয় বুলি প্ৰকাশ কৰে। এই আক্ৰমণত কোনো পাকিস্তানী সামৰিক ঘাটিক লক্ষ্য কৰি লোৱা হোৱা নাই বুলি তেওঁলোকে প্ৰকাশ কৰে।

সংবাদমেলত বৈদেশিক পৰিক্ৰমা সচিব বিক্ৰম মিশ্ৰীয়ে ভাৰতে এই অভিযান সীমিত আৰু নিৰ্দিষ্ট লক্ষ্যৰে চলোৱা হৈছিল বুলি উল্লেখ কৰে।  পেহেলগাম আক্ৰমণৰ অন্তৰালৰ ষড়যন্ত্ৰকাৰীসকলৰ বিচাৰ কৰাটো আৱশ্যকীয় বুলি তেওঁ প্ৰকাশ কৰে।

০০০০

মধ্য আৰু নামনি অসমৰ ১৩ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হৈছে।

ৰাজ্যিক নিৰ্বাচন আয়োগৰ সূত্ৰ অনুসৰি বিয়লি চাৰে ৩ বজালৈকে বঙাইগাঁও জিলাত সৰ্বাধিক ৬২ দশমিক ৭-২ শতাংশ ভোটদান হয়। ভোটগ্ৰহণ সন্দৰ্ভত আমাৰ সংবাদদাতাই জনোৱা অনুসৰি কামৰূপ জিলাৰ ৰঙিয়া সমজিলাত আমিনগাওঁত থকা আয়ুক্ত কাৰ্যালয় আৰু দক্ষিণ কামৰূপ ছোৱালী হাইস্কুলত অস্থায়ী ষ্ট্ৰংৰূমত জিলাখনৰ বেলট বাকচসমূহ জমা ৰখা হৈছে। ইপিনে, ভোটগ্ৰহণৰ অন্তত কামৰূপ মহানগৰ জিলাৰ ভোটকেন্দ্ৰসমূহৰ দায়িত্বত থকা বিষয়াসকলে জালুকবাৰী আৰু ডিমৰীয়া সমজিলাৰ কাৰ্যালয়ত বেলট বাকচকে ধৰি অন্যান্য নিৰ্বাচনী সামগ্ৰীসমূহ জমা দিয়ে।

ভোটদানৰ চূড়ান্ত হাৰ আজি নিশাৰ ভাগত ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰাৰ সম্ভাৱনা আছে। ৰাজ্যখনত যোৱা ২ মে'ত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ১৪ খন জিলাত ৭০ দশমিক ১-৯ শতাংশ ভোটদান সম্পন্ন হৈছিল। অহা ১১ মে'ত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

০০০০

পশ্চিম কাৰ্বি আংলঙৰ জিলা আয়ুক্ত সাৰংগপাণি শৰ্মাৰ সভাপতিত্বত আজি দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সৈতে আৰক্ষী বিভাগ আৰু বন বিভাগৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত বন্যহস্তী আৰু মানুহৰ মাজত হোৱা সংঘাতপ্ৰৱন অঞ্চলসমূহ নিৰীক্ষণ কৰা, বনজ সম্পদৰ অবৈধ সৰবৰাহ তথা ব্যৱসায়ী নিৰীক্ষণ কৰা, বন্য প্ৰাণী বিচৰণস্থলী পুনৰ নিৰ্মাণ কৰা, ক্ষতিগ্ৰস্ত পৰিয়ালক তাৎক্ষণিকভাৱে উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰা আদি বিষয় সামৰি লোৱা হয়।

০০০০

ভাৰত চৰকাৰৰ ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে ইকিগাই লৰ সহযোগত অহা ৯ মে'ৰ গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত এখন সন্মিলনৰ আয়োজন কৰিছে। কৃত্ৰিম বুদ্ধিমত্তা নীতি সম্পৰ্কীয় প্ৰতিবেদন প্ৰস্তুত কৰাৰ লক্ষ্যৰে এই সন্মিলনৰ আয়োজন কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

গোলাঘাট জিলাৰ বোকাখাটৰ বৰজুৰিত আজি সন্ধিয়া এটা পথ দুৰ্ঘটনা সংঘটিত হয়। বৰ চাপৰি চাহ বাগিছাৰ শ্ৰমিক কঢ়িয়াই অনা এখন বাছ আৰু টেংকাৰৰ মাজত হোৱা মুখামুখি সংঘৰ্ষটোত বাছখনত থকা ছগৰাকী মহিলা গুৰুতৰভাৱে আহত হয়। আহত আটাইকেইগৰাকী মহিলাকে বোকাখাটৰ শ্বহিদ কমলা মিৰি মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ এন উন্নিকৃষ্ণনায়াৰৰ পিতৃ কে পি নায়াৰৰ আজি কেৰালাত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেঁওৰ বয়স হৈছিল ৮৩ বছৰ।

০০০০

অসমৰ জনঞ্জয়জ্যোতি হাজৰিকাই বিহাৰত চলি থকা সপ্তম খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত দ্বিতীয়টো সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ প্ৰতিভাৱান সন্তৰণবিদগৰাকীয়ে ল'ৰাৰ এশ মিটাৰ বাটাৰফ্লাই শিতানত সোণৰ পদক অৰ্জন কৰে। ইয়াৰ পূৰ্বে জনঞ্জয়ে ল'ৰাৰ ৫০ মিটাৰ বাটাৰফ্লাই শিতানত প্ৰথমটো সোণৰ পদক অৰ্জন কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

ইপিনে, টেবল টেনিছৰ ল'ৰাৰ একক শাখাত অসমৰ প্ৰিয়ানুজ ভট্টাচাৰ্য্যই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে আজি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত কৰ্ণাটকৰ বৰুণ কাশ্যপক ৩-০ ফলাফলত পৰাস্ত কৰে।

০০০০

তাৰকা ক্ৰিকেট খেলুৱৈ ৰোহিত শৰ্মাই তৎকালীনভাৱে প্ৰযোজ্য হোৱাকৈ টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। ৩৮ বছৰীয়া খেলুৱৈগৰাকীয়ে আজি সামাজিক মাধ্যমৰ জৰিয়তে এই সিদ্ধান্তৰ কথা সদৰি কৰে। অৱশ্যে খেলুৱৈগৰাকীয়ে এদিনীয়া ক্ৰিকেট খেলত দেশক প্ৰতিনিধিত্ব কৰি যাব বুলি প্ৰকাশ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকতাৰ ইডেন গাৰ্ডেনছত কলকাতা নাইট ৰাইডাৰ্ছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত প্ৰথমে বেট ধৰি কলকাতাই নিৰ্ধাৰিত ২০ অভাৰত ছটা উইকেট হেৰুৱাই ১৭৯ ৰাণ সংগ্ৰহ কৰে। কলকাতাৰ হৈ অধিনায়ক অজিংক ৰাহানেই সৰ্বাধিক ৪৮ ৰাণৰ বৰঙণি আগবঢ়ায়। চেন্নাইৰ নুৰ আহমেদে ৪ টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত চেন্নাইৰ দলটোৱে আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি ৫ অভাৰত ৪ টা উইকেট হেৰুৱাই ৫৬ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

০০০০

সমাপ্ত